**পি. সত্যনাৰায়ণ আৰু অন্য এজন**

**বনাম**

**পি. মাল্লাইয়া আৰু অন্যান্য**

**৩০ আগষ্ট, ১৯৯৬**

**(মহামান্য ন্যায়াধীশ মদন মোহন পুঞ্ছি আৰু কে. টি. থমাছ,)**

**দণ্ডবিধি আইন, ১৮৬০ চন**

ধাৰা ৪৯৪ – দ্বিবিবাহ – উচ্চতম ন্যায়ালয়ে বান্ধি দিয়া নিৰ্ধাৰিত পৰীক্ষা অনুসৰি বিবাহৰ তথ্য পৰ্যাপ্তভাৱে প্ৰতিষ্ঠা নোহোৱাত দণ্ডাধীশে ব্যক্তিজনক দোষমুক্ত কৰে – উচ্চ ন্যায়ালয়ে স্বামীৰ স্বীকাৰকৰণৰ ভিত্তিত আদেশটো বাতিল কৰে আৰু পুনৰ বিচাৰৰ নিৰ্দেশ দিয়ে – আপীল দখিল কৰাত এইটো ৰায় দিয়া হয় যে, স্বীকাৰকৰণৰ অৰ্থ এইটো নহয় যে তেওঁ উপযুক্ত অনুষ্ঠান সম্পন্ন কৰাৰ পিছত হিন্দু বিবাহ সম্পন্ন কৰি দ্বিতীয় পত্নীক লৈছিল – পুনৰ বিচাৰৰ নিৰ্দেশ দিয়াটো অৰ্থহীন আছিল কাৰণ ইতিমধ্যে প্ৰমাণৰ বিষয়ে ভালদৰে আলোচনা কৰি খাৰিজ কৰা হৈছে – সেয়েহে উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ বাতিল কৰা হ'ল – অৱশ্যে স্বামীয়ে দিয়া খোৰাকীৰ পৰিমাণ ০১/১০/১৯৯৬ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ ৪০০ টকাৰ পৰা ৮০০ টকালৈ বৃদ্ধি কৰা হ'ল।

ভৌৰাও শংকৰ লোখাণ্ডে আৰু আন এজন বনাম মহাৰাষ্ট্ৰ ৰাজ্য আৰু আন এজন, [1৯৬৫] ২ এছ চি আৰ ৮৩৭; কানৱাল ৰাম আৰু অন্যান্য বনাম হিমাচল প্ৰদেশ প্ৰশাসন, [১৯৬৬) ১ এছ চি আৰ ৫৩৯ আৰু প্ৰিয়া বালা ঘোষ বনাম সুৰেশ চন্দ্ৰ ঘোষ, [১৯৭১) এছ চি চি ৮৬৪ গোচৰ সমূহ ওপৰত নিৰ্ভৰ কৰা হ'ল।

**ফৌজদাৰী আপীল অধিকাৰক্ষেত্ৰ : ফৌজদাৰী আপীল নং ১৬৩৫/১৯৯৬।**

অন্ধ্ৰ প্ৰদেশ উচ্চ ন্যায়ালয়ে ফৌজদাৰী পুনৰীক্ষণ গোচৰ নং-৫৫৪/১৯৯১ত ১১/৭/৯৪ তাৰিখে দিয়া ৰায় আৰু আদেশৰ পৰা।

আপীলকাৰীৰ হৈ ডি প্ৰকাশ ৰেড্ডী আৰু ডি ভাৰতী ৰেড্ডী।

প্ৰতিপক্ষৰ হৈ গুন্টুৰ প্ৰভাকৰ আৰু অনিল কুমাৰ টাণ্ডেলে।

আদালতে তলত দিয়া ধৰণে আদেশ দিয়া হৈছিল :

অনুমতি দিয়া হ'ল।

পত্নী/প্ৰতিপক্ষই ভাৰতীয় দণ্ডবিধিৰ ৪৯৪ নং ধাৰাত আৰক্ষীৰ ওচৰত এটা লিখিত অভিযোগ দাখিল কৰে যিটো তদন্তৰ পিছত আপীলকাৰীৰ লগতে তেওঁৰ কথিত দ্বিতীয় পত্নী/দ্বিতীয় আপীলকাৰীৰ বিৰুদ্ধে বিচাৰৰ বাবে আদালতত প্ৰেৰণ কৰা হয়। স্বামী/আপীলকাৰীয়ে তাৰ ওপৰত অনা অভিযোগ অস্বীকাৰ কৰি তেওঁৰ দাবীত (plea) আদালতত কয়:

“সচা। মই কোনো অপৰাধ কৰা নাই। মোৰ পত্নীয়ে মোক এৰি যোৱাৰ দহ বছৰ পিছত মই বিয়া পতিছোঁ।"

তেওঁ উত্থাপন কৰা দাবীটো এনেদৰে পঢ়িবলৈ বিচাৰা হৈছিল যেন তেওঁ দ্বিতীয়বাৰ বিয়া হোৱাৰ কথা স্বীকাৰ কৰিছে। বিদ্বান বিচাৰ আদালতৰ দণ্ডাধীশে অভিযোজন পক্ষৰ প্ৰমাণ নথিভুক্ত কৰিছিল আৰু এই সিদ্ধান্তত উপনীত হৈছিল যে ভৌৰাও শংকৰ লোখাণ্ডে আৰু আন এজন বনাম মহাৰাষ্ট্ৰ ৰাজ্য আৰু আন এজন, [1৯৬৫] ২ এছ চি আৰ ৮৩৭; কানৱাল ৰাম আৰু অন্যান্য বনাম হিমাচল প্ৰদেশ প্ৰশাসন, [১৯৬৬) ১ এছ চি আৰ ৫৩৯ আৰু প্ৰিয়া বালা ঘোষ বনাম সুৰেশ চন্দ্ৰ ঘোষ, [১৯৭১) এছ চি চি ৮৬৪ গোচৰত এই আদালতে নিৰ্ধাৰণ কৰা পৰীক্ষাৰ ভিত্তিত বিবাহৰ সত্যতা প্ৰমাণ কৰিবলৈ কোনো আইনী প্ৰমাণ নাই। এইদৰে তেওঁ আবেদনকাৰীক দোষমুক্ত কৰিছিল। উচ্চ ন্যায়ালয়ে পত্নী/প্ৰতিপক্ষই দাখিল কৰা এক ব্যক্তিগত পুনৰীক্ষণ আবেদনৰ ওপৰত মুখ্যতঃ এই ভিত্তিত দোষমুক্ত কৰাৰ আদেশক বাতিল কৰিছিল যে প্ৰথম আবেদনকাৰীয়ে তেওঁৰ বিৰুদ্ধে উত্থাপন কৰা অভিযোগটো স্বীকাৰ কৰিছিল। সেয়েহে উচ্চ ন্যায়ালয়ে পুনৰ বিচাৰৰ নিৰ্দেশ দিয়ে।

আমাৰ দৃষ্টিত, উচ্চ ন্যায়ালয়ে পূৰ্বতে উল্লেখ কৰা গোচৰসমূহত এই আদালতে নিৰ্ধাৰণ কৰা পৰীক্ষাসমূহ পূৰণ কৰিবলৈ অভিযুক্ত দ্বিতীয় বিবাহৰ যথাযথ অনুষ্ঠান প্ৰমাণিত কৰাৰ বাবে বিচাৰ আদালতৰ দণ্ডাধীশে সু-বিবেচনা কৰা আদেশ বাতিল কৰাত ভুল কৰিছিল। পূৰ্বতে উল্লেখ কৰা অপৰাধৰ দাবীৰ (plea) অৰ্থ হ"ল যে প্ৰথম আবেদনকাৰীয়ে এগৰাকী পত্নীক গ্ৰহণ কৰিছিল, কিন্তু সেই স্বীকাৰকৰণৰ অৰ্থ এইটো নহয় যে তেওঁ বিবাহৰ বাবে উপযুক্ত অনুষ্ঠান সম্পন্ন কৰাৰ পিছত তাইৰ সৈতে হিন্দু

বিবাহ সম্পন্ন কৰাৰ পিছত দ্বিতীয় পত্নীক গ্ৰহণ কৰিছিল। এনে দাবী(plea), যিটো তেওঁৰ বাবে ঐচ্ছিক আছিল আৰু আদালতে ইয়াক অৱজ্ঞা কৰিব পাৰিলেহেঁতেন আৰু ইয়াৰ দ্বাৰা বিচাৰ বিভাগক প্ৰশ্ন কৰা বিবাহটো আইন অনুসৰি কৰা হৈছিল বুলি প্ৰমাণ কৰাৰ বাধ্যবাধকতাৰ পৰা মুক্ত নকৰে, যাৰ ফলত তেওঁ আইনী পৰিণতিৰ সন্মুখীন হ'বলগীয়া হব পাৰে। আমি বিশ্বাস কৰোঁ যে উচ্চ ন্যায়ালয়ে পুনৰ বিচাৰৰ নিৰ্দেশ দিয়াৰ সিদ্ধান্ত অপ্ৰয়োজনীয় আছিল কাৰণ ইতিমধ্যে প্ৰমাণসমূহ ভালদৰে পৰীক্ষা কৰি খাৰিজ কৰা হৈছিল। এই কাৰণবোৰৰ বাবে, আমি ভাবো যে উচ্চ ন্যায়ালয়ৰ আদেশবোৰ বাতিল কৰাৰ প্ৰয়োজন হ'ব, যিটো আমি ইয়াৰ দ্বাৰা কৰিলোঁ।

একে সময়তে আমি লক্ষ্য কৰিব লাগিব যে প্ৰথম আপীলকাৰীৰ অধিবক্তাই কি কৈছিল। তেওঁ উল্লেখ কৰিছে যে প্ৰথম আপীলকাৰীয়ে ৰাজ্যিক ৰাজহ ব'ৰ্ডত চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী হিচাপে কাম কৰে আৰু প্ৰতিমাহে প্ৰায় ১৬০০ টকা উপাৰ্জন কৰে। আদালতৰ নিৰ্দেশ অনুসৰি তেওঁ পত্নী আৰু প্ৰাপ্তবয়স্ক সন্তানক ভৰণ-পোষণ হিচাপে মাহে ৪০০ টকা দিয়ে। প্ৰথম আপীলকাৰীৰ বিৰুদ্ধে পত্নীয়ে বিবাহৰ অভিযোগ বাদ দিলে এই পৰিমাণ বৃদ্ধি কৰাৰ প্ৰস্তাৱ অধিবক্তাগৰাকীয়ে আগবঢ়াইছে। ই এটা যুক্তিসংগত অফাৰ কাৰণ যদি তেওঁক দোষী সাব্যস্ত কৰি জেলত ভৰোৱা হয় তেন্তে তাই ভৰণ-পোষণৰ ধন একেবাৰে হেৰুৱাব। সি দিয়া আৰ্থিক সহায় তাইৰ হেৰুৱাব নিবিচাৰে । এই ব্যৱহাৰিক বাস্তৱতাসমূহ বিবেচনা কৰিলে প্ৰথম আপীলকাৰীয়ে চাকৰি হেৰুৱাব নালাগে যাতে তেওঁ নিজৰ পত্নী আৰু সন্তানৰ লগতে নিজকে পোহপাল দি থাকিব পাৰে। গতিকে সিদ্ধান্ত লোৱা হৈছে যে এতিয়া আপীলকাৰীয়ে প্ৰতিপক্ষক প্ৰতিমাহে ভৰণ-পোষণ বাবদ প্ৰতিমাহে ৮০০ টকা দিব, যিটো ১৯৯৬ চনৰ ১ অক্টোবৰৰ পৰা কাৰ্যকৰী হ'ব। আমি সেইমতে আদেশ দিলোঁ।

পূৰ্বৰ কাৰণবোৰৰ বাবে, আমি এই আপীল মঞ্জুৰ কৰিলোঁ আৰু উচ্চ ন্যায়ালয়ৰ বিতৰ্কিত আদেশবোৰ বাতিল কৰিলোঁ। আনহাতে প্ৰতিপক্ষ/পত্নী আৰু তেওঁৰ সন্তানক প্ৰদান কৰিবলগীয়া ভৰণ-পোষণৰ হাৰ বৃদ্ধি কৰা হ'ল। বিচাৰ আদালতত চলি থকা ভৰণ-পোষণৰ গোচৰৰ কাৰ্যব্যৱস্থা বোৰত এতিয়া ইয়াত দিয়া আমাৰ নিৰ্দেশ অনুসৰি সিদ্ধান্ত লোৱা হ'ব।

আপীল মঞ্জুৰ কৰা হ'ল।

অনুবাদক: মোবাৰক হুছাইন, জ্যেষ্ঠ অনুবাদক